**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 16-10-2024
**Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***Headlines***

-----------------------------

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু তিনিদিনীয়া আলজেৰিয়া ভ্ৰমণ সামৰি ত্ৰিদেশীয় ভ্ৰমণসূচীৰ দ্বিতীয় পৰ্যায়ত আজি ম'ৰিটানিয়ালৈ ৰাওনা হ'ব।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু গৃহমন্ত্ৰী অমিত শ্বাহে ৰাষ্ট্ৰীয় সুৰক্ষা গাৰ্ড এন এছ্ জি-ৰ আজিৰ প্ৰতিষ্ঠা দিৱস উপলক্ষে বাহিনীটোক অভিনন্দন জনাইছে।

৩। বিদেশ মন্ত্ৰী ড০ এছ্ জয়শংকৰে কৈছে যে, দেশ এখনৰ উন্নয়ন তথা বিকাশ দেশখনৰ শান্তি আৰু সুস্থিৰতাৰ ওপৰত নিৰ্ভৰ কৰে। ইছলামাবাদত অনুষ্ঠিত চাংহাই সহযোগিতা সংস্থাৰ চৰকাৰ প্ৰধানসকলৰ পৰিষদৰ বৈঠকত ভাষণ দি তেওঁ এই কথা প্ৰকাশ কৰে।

৪। নেচনেল কনফাৰেন্সৰ নেতা ওমৰ আব্দুল্লাই আজি জম্মু-কাশ্মীৰৰ মুখ্যমন্ত্ৰী হিচাপে শপতগ্ৰহণ কৰে।

৫। যোগাযোগ দপ্তৰৰ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্দিয়াই কৈছে যে, সমগ্ৰ বিশ্বৰ মুঠ ডিজিটেল লেনদেনৰ ৪৬ শতাংশ ভাৰতত সম্পন্ন হয়। **আৰু**

৬। ভাৰতৰ বিজয় সুন্দৰ প্ৰশান্ত আৰু জীৱন নেডুনচেঝিয়ানে ষ্টকহ'ম অ'পেন টেনিছ প্ৰতিযোগিতাৰ পুৰুষৰ ডাবলছৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে।

০০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু তিনিদিনীয়া আলজেৰিয়া ভ্ৰমণ সামৰি ত্ৰিদেশীয় ভ্ৰমণসূচীৰ দ্বিতীয় পৰ্যায়ত আজি ম'ৰিটানিয়ালৈ ৰাওনা হ'ব। আলজেৰিয়া ভ্ৰমণকালত ৰাষ্ট্ৰপতি মুৰ্মুৱে দেশখনৰ নেতৃত্বৰ লগতে বিভিন্ন ক্ষেত্ৰৰ প্ৰতিনিধিৰ সৈতে দ্বিপাক্ষিক বৈঠকত অংশগ্ৰহণ কৰি ভাৰত আৰু আলজেৰিয়াৰ মাজৰ সম্পৰ্কক বিশেষ মাত্ৰা প্ৰদান কৰে। ৰাষ্ট্ৰপতিৰ ভ্ৰমণৰ বাতৰি সংগ্ৰহৰ বাবে যোৱা আমাৰ সংবাদদাতাই জনাইছে যে, শ্ৰীমতী মুৰ্মুৱে দিনজোৱা ম'ৰিটানিয়া ভ্ৰমণৰ সময়ত কেইবাটাও অনুষ্ঠানত অংশগ্ৰহণ কৰিব। এই ভ্ৰমণকালত ৰাষ্ট্ৰপতিগৰাকীয়ে ম'ৰিটানিয়াৰ ৰাষ্ট্ৰপতি মহম্মদ আউল্ড গজৌৱানী আৰু অন্য নেতাসকলৰ সৈতে দ্বিপাক্ষিক বৈঠকত ভাগ ল'ব। তেওঁ লগতে দেশখনত বাস কৰা প্ৰবাসী ভাৰতীয়সকলৰ সৈতেও মত-বিনিময় কৰিব।

উল্লেখযোগ্য যে বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে ৰাষ্ট্ৰপতি মুৰ্মুৰ আলজেৰিয়া ভ্ৰমণক ঐতিহাসিক বুলি অভিহিত কৰিছে। সংবাদ মাধ্যমৰ সৈতে হোৱা কথা বতৰাত বিদেশ মন্ত্ৰালয়ৰ সচিব অৰুণ কুমাৰ চেটাৰ্জীয়ে কয় যে ৰাষ্ট্ৰপতিগৰাকীৰ এই ভ্ৰমণে উভয় দেশৰ মাজৰ ৰাজনৈতিক, অৰ্থনৈতিক আৰু সাংস্কৃতিক সম্পৰ্কক গতি প্ৰদান কৰিব। তেওঁ লগতে কয় যে ব্ৰিকছ্ ৰাষ্ট্ৰগোষ্ঠীত আলজেৰিয়াৰ সদস্য-পদক লৈ আলোচনা হ'লে ভাৰতে ইয়াৰ প্ৰতি সমৰ্থন আগবঢ়াব।

আনহাতে ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মু ত্ৰিদেশীয় ভ্ৰমণসূচীৰ তৃতীয় পৰ্যায়ত কাইলৈ মলাৱিত উপস্থিত হ'ব। আফ্ৰিকাৰ বিভিন্ন দেশৰ সৈতে ভাৰতৰ  সম্পৰ্কৰ সম্প্ৰসাৰণ আৰু সুদৃঢ়কৰণেই হ'ল তেওঁৰ এই যাত্ৰাৰ মূল উদ্দেশ্য।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৰাষ্ট্ৰীয় সুৰক্ষা গাৰ্ড এন এছ্ জি-ৰ আজিৰ প্ৰতিষ্ঠা দিৱস উপলক্ষে বাহিনীটোক অভিনন্দন জনাইছে। সামাজিক মাধ্যমত দিয়া এটা বাৰ্তাত প্ৰধানমন্ত্ৰীয়ে কয় যে, আমাৰ দেশখনক সুৰক্ষিত কৰি ৰখাৰ বাবে এন এছ্ জি-ৰ কৰ্মীসকলৰ চিৰস্থায়ী আত্মোৎসৰ্গাৰ মনোভাৱ, সাহস আৰু স্থিৰ সংকল্পৰ বাবে দেশবাসীয়ে তেওঁলোকক কৃতজ্ঞতা জনাই আহিছে। শ্ৰী মোদীয়ে লগতে কয় যে, যিকোনো ধৰণৰ ভাবুকিৰ পৰা দেশক সুৰক্ষা দিয়াৰ বাবে এন এছ্ জি-ৰ দায়বদ্ধতা সদায়েই প্ৰশংসনীয়।

একেদৰে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহেও এন এছ্ জি-ৰ প্ৰতিষ্ঠা দিৱস উপলক্ষে বাহিনীটোক অভিনন্দন জনাইছে।  বাহিনীটোৱে **সৰ্বত্ৰ সৰ্বোত্তম সুৰক্ষা** মূলমন্ত্ৰৰে কাম কৰি আহিছে বুলি উল্লেখ কৰি সামাজিক মাধ্যমত দিয়া এটা বাৰ্তাত তেওঁ লগতে, কৰ্তব্য পালনৰ সময়ত প্ৰাণ আহুতি দিয়া এন এছ্ জি-ৰ সাহসিক কৰ্মীসকলৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰে।

০০০০০০০

উচ্চতম ন্যায়ালয়ে খেতি পথাৰৰ নৰা জ্বলাই দিয়াৰ ফলত উদ্ভৱ হোৱা বায়ু প্ৰদূষণ ৰোধ কৰাৰ হকে পূৰ্বে দিয়া নিৰ্দেশ অমান্য কৰাৰ বাবে হাৰিয়ানা আৰু পঞ্জাৱৰ চৰকাৰক সমালোচনা কৰিছে। ন্যায়াধীশ অভয় এছ্ অকাৰ নেতৃত্বত গঠিত এখন বিচাৰপীঠে এই নিৰ্দেশ অমান্য কৰা লোকসকলৰ বিৰুদ্ধে কাৰ্যব্যৱস্থা গ্ৰহণত অপৰাগতা প্ৰদৰ্শন কৰা কৰা হাৰিয়ানাৰ চৰকাৰী বিষয়াসকলৰ সৈতে ব্যৱস্থা গ্ৰহণ কৰিবলৈ বায়ু মান ব্যৱস্থাপনা আয়োগ, CAQM-ক নিৰ্দেশ দিছে। আয়োগৰ নিৰ্দেশাৱলী পালন নকৰা বিষয়টোৰ সন্দৰ্ভত শুনানি গ্ৰহণ কৰি বিচাৰপীঠখনে নিৰ্দেশ উলংঘনকাৰীসকলক শাস্তি বিহাৰ বাবে এসপ্তাহৰ সময়সীমা নিৰ্ধাৰণ কৰি দিছে।

আনহাতে এই বিষয়টোৰ সন্দৰ্ভত নিজৰ স্থিতি ব্যক্ত কৰাৰ বাবে হাৰিয়ানা চৰকাৰৰ মুখ্য সচিবক অহা ২৩ অক্টোবৰত আদালতত হাজিৰ হ'বলৈ উচ্চতম ন্যায়ালয়ে চমন জাৰি কৰিছে। একেদৰে পঞ্জাৱৰ মুখ্য সচিবকো অহা বুধবাৰে আদালতত হাজিৰ হৈ এই নিৰ্দেশৰ উলংঘন তথা সংশ্লিষ্ট বিষয়াসকলৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণৰ ক্ষেত্ৰত অপৰাগতাৰ বিষয়ে ব্যাখ্যা কৰিবলৈ সৰ্বোচ্চ ন্যায়ালয়খনে নিৰ্দেশ দিছে।

০০০০০০০

কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমন আজি মেক্সিকো আৰু আমেৰিকা যুক্তৰাষ্ট্ৰ ভ্ৰমণসূচীৰে ৰাওনা হ'ব। প্ৰথম পৰ্যায়ত শ্ৰীমতী সীতাৰমনে কাইলৈৰ পৰা অহা ২০ অক্টোবৰলৈ মেক্সিকো ভ্ৰমণ কৰিব আৰু এই ভ্ৰমণকালত তেওঁ মেক্সিকোৰ **ছিলিকন ভেলী** গুৱাডালাজাৰাত হ'বলগীয়া প্ৰযুক্তি বিশেষজ্ঞসকলৰ ঘূৰণীয়া মেজমেলত অধ্যক্ষতা কৰিব। তেওঁ লগতে মেক্সিকোৰ বিত্ত আৰু ৰাজহুৱা ঋণ দপ্তৰৰ মন্ত্ৰী ৰোজেৰিঅ' ৰামীৰেজ ডে লা অ'ৰ সৈতে দ্বিপাক্ষিক আলোচনাত অংশগ্ৰহণ কৰিব। ইয়াৰ উপৰি শ্ৰীমতী সীতাৰমণে সংসদীয় সহযোগিতা আৰু অৰ্থনৈতিক বিকাশ সুদৃঢ় কৰাৰ উদ্দেশ্যে মেক্সিকোৰ সাংসদসকলৰ সৈতে আলোচনাত মিলিত হ'ব।

মেক্সিকো চহৰত শ্ৰীমতী সীতাৰমনে  দুয়োখন দেশৰ উদ্যোগ জগতৰ বিশিষ্ট ব্যক্তিসকলে অংশগ্ৰহণ কৰিবলগীয়া ভাৰত-মেক্সিকো বাণিজ্য আৰু বিনিয়োগ সন্মিলনত মূল ভাষণ দিব। বিত্তমন্ত্ৰীগৰাকীয়ে প্ৰবাসী ভাৰতীয়সকলে আয়োজন কৰা এটা সমূহীয়া অনুষ্ঠানতো ভাগ ল'ব।

০০০০০০০

বিদেশ মন্ত্ৰী ড০ এছ্ জয়শংকৰে কৈছে যে, দেশ এখনৰ উন্নয়ন তথা বিকাশ দেশখনৰ শান্তি আৰু সুস্থিৰতাৰ ওপৰত নিৰ্ভৰ কৰে। মন্ত্ৰীজনে লগতে দুখন ৰাষ্ট্ৰৰ মাজত বাণিজ্য, শক্তি প্ৰৱাহ সংযোগ আৰু জনসাধাৰণৰ মাজৰ বিনিময়ৰ প্ৰচেষ্টাক দুৰ্বল কৰা সন্ত্ৰাসবাদ, উগ্ৰবাদ আৰু বিচ্ছিন্নতাবাদ আদি সীমান্তৰ কাৰ্যকলাপসমূহকো সতৰ্ক কৰি দিয়ে। আজি পাকিস্তানৰ ইছলামাবাদত অনুষ্ঠিত চাংহাই সহযোগিতা সংস্থাৰ চৰকাৰ প্ৰধানসকলৰ পৰিষদৰ বৈঠকত মন্ত্ৰীগৰাকী ভাষণ দি এই কথা প্ৰকাশ কৰে।

বিদেশ মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে যে, অত্যাধিক জলবায়ু পৰিঘটনা, যোগান শৃংখলাৰ অনিশ্চিয়তা আৰু বিত্তীয় অস্থিৰতাৰ দৰে ব্যাঘাতসমূহে ইতিমধ্যে বিশ্বজুৰি উন্নয়ন তথা বিকাশত প্ৰভাৱ পেলাইছে। মন্ত্ৰীগৰাকীয়ে ঋণ সন্দৰ্ভতো উদ্বেগ প্ৰকাশ কৰি ইয়াক এক গুৰুতৰ বিষয় বুলি অভিহিত কৰিছে। দুখন ৰাষ্ট্ৰৰ মাজৰ সহযোগিতা ৰাষ্ট্ৰদুখনৰ পাৰস্পৰিক সন্মান, সমতা আৰু অখণ্ডতাৰ স্বীকৃতিৰ ওপৰত আধাৰিত হ'ব লাগে বুলিও মন্ত্ৰীগৰাকীয়ে গুৰুত্ব আৰোপ কৰে। বিভিন্ন খণ্ডত সহযোগিতাৰ প্ৰয়োজনীয়তাৰ ওপৰত আলোকপাক কৰি ড০ জয়শংকৰে কয় যে, সামূহিক প্ৰচেষ্টাই সম্পদ একত্ৰিত কৰাৰ লগতে বিনিয়োগ আকৰ্ষণ আৰু ব্যৱসায়িক সংযোগ সম্প্ৰসাৰণ কৰিব পাৰে। মন্ত্ৰীগৰাকীয়ে লগতে নৱীকৰযোগ্য শক্তিৰ প্ৰচাৰ কৰা আন্তঃৰাষ্ট্ৰীয় সৌৰ মিত্ৰতাৰ ক্ষেত্ৰত ভাৰতৰ নেতৃত্বৰ বিষয়তো আলোকপাত কৰে। ডিজিটেল আন্তঃগাঁথনিৰ ক্ষেত্ৰত ভাৰতৰ অগ্ৰগতিৰ কথা উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে মিছন লাইফ, যোগ আৰু বাজৰাৰ গুৰুত্বৰ সন্দৰ্ভতো মত প্ৰকাশ কৰে। ভাষণত ড০ জয়শংকৰে ৰাষ্ট্ৰসংঘ নিৰাপত্তা পৰিষদৰ সংস্কাৰৰ বাবেও জোৰ দিয়ে। তেওঁ কয় যে ৰাষ্ট্ৰসংঘৰ বিশ্বাসযোগ্যতা আৰু কাৰ্যকৰিতাৰ ব্যাপক সংস্কাৰৰ জৰিয়তে উন্নয়নশীল দেশসমূহৰ প্ৰতিনিধিত্ব নিশ্চিত কৰাৰ ওপৰত নিৰ্ভৰশীল।

০০০০০০০

নেচনেল কনফাৰেন্সৰ নেতা ওমৰ আব্দুল্লাই আজি জম্মু-কাশ্মীৰৰ মুখ্যমন্ত্ৰী হিচাপে শপতগ্ৰহণ কৰে। শ্ৰীনগৰৰ শ্বেৰ-এ-কাশ্মীৰ আন্তঃৰাষ্ট্ৰীয় অভিৰৰ্তন কেন্দ্ৰত আয়োজিত এটা অনুষ্ঠানত উপ-ৰাজ্যপাল মনোজ সিনহাই শ্ৰী আব্দুল্লা আৰু তেওঁৰ মন্ত্ৰীসভাৰ সদস্যসকলক শপত বাক্য পাঠ কৰায়। আজিৰ শপতগ্ৰহণ অনুষ্ঠানত কংগ্ৰেছ সভাপতি মল্লিকাৰ্জুন খাৰ্গে, লোকসভাৰ বিৰোধী দলপতি ৰাহুল গান্ধী, সমাজবাদী পাৰ্টিৰ সভাপিত অখিলেশ যাদৱ আৰু আই এন ডি আই মিত্ৰজোঁটৰ আনকেইবাগৰাকী নেতাই অংশগ্ৰহণ কৰে। আমাৰ আগৰ বাতৰিতেই কোৱা হৈছে যে, নেচনেল কনফাৰেন্স দলে ১০ বছৰৰ ব্যৱধানত অনুষ্ঠিত বিধানসভা নিৰ্বাচনত সংখ্যাগৰিষ্ঠতা লাভ কৰাৰ পাছত উপ-ৰাজ্যপালে শ্ৰীআব্দুল্লাক চৰকাৰ গঠন কৰিবলৈ আমন্ত্ৰণ জনাইছিল। জম্মু-কাশ্মীৰত ইয়াৰ পূৰ্বে ২০১৪ চনত বিধানসভা নিৰ্বচন অনুষ্ঠিত হৈছিল।

০০০০০০০

যোগাযোগ দপ্তৰৰ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্দিয়াই কৈছে যে, সমগ্ৰ বিশ্বৰ মুঠ ডিজিটেল লেনদেনৰ ৪৬ শতাংশ ভাৰতত সম্পন্ন হয়। নতুন দিল্লীৰ ভাৰত মণ্ডপমত অনুষ্ঠিত আন্তঃৰাষ্ট্ৰীয় ছিক্স-জি আলোচনাচক্ৰৰ উদ্বোধনী বৈঠকত ভাষণ দি শ্ৰী সিন্দিয়াই এই কথা প্ৰকাশ কৰে। দেশত ডিজিটেল

লেনদেনৰ তথ্যৰ বিষয়ে উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে লগতে প্ৰতিগৰাকী নাগৰিকৰ বাবে চাইবাৰ সুৰক্ষা নিশ্চিত কৰাৰ প্ৰয়োজনৰ বিষয়টোত গুৰুত্ব আৰোপ কৰে। একে সময়তে তেওঁ ছিক্স-জি প্ৰযুক্তিৰ ক্ষেত্ৰত ভাৰতে বিশ্বৰ নেতৃত্ব বহন কৰিব পাৰিব বুলিও আস্থা ব্যক্ত কৰে। তেওঁ কয় যে, ডিজিটেল ভাৰতবৰ্ষ চবকা ছাথ, চবকা বিকাশ, চবকা বিশ্বাস আৰু চবকা প্ৰয়াসৰ মৌলিক ভেটিৰ ওপৰত ভিত্তি কৰি গঢ় লৈ উঠিছে।

০০০০০০০

ভাৰতৰ বিজয় সুন্দৰ প্ৰশান্ত আৰু জীৱন নেডুনচেঝিয়ানে ষ্টকহ'ম অ'পেন টেনিছ প্ৰতিযোগিতাৰ পুৰুষৰ ডাবলছৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। ভাৰতীয় যুটীটোৱে কালি সন্ধিয়া অনুষ্ঠিত প্ৰতিযোগিতাৰ প্ৰি-কোৱাৰ্টাৰ ফাইনেল পৰ্যায়ৰ এখন খেলত ছুইডেনৰ ফিলিপ বাৰ্গেৰি আৰু এৰিক গ্ৰেভেলিয়াছক ৫-৭, ৬-২ আৰু ১০-৫ৰ ব্যৱধানত পৰাভূত কৰে।

০০০০০০০

ডেনমাৰ্ক অপেন বেডমিণ্টন প্ৰতিযোগিতাত আজি ভাৰতৰ সতীশ কুমাৰ কৰুণাকৰণ আৰু উন্নতি হুডাই কৰ্টত নামিব। বিয়লিৰ ভাগত অনুষ্ঠিত হ'বলগা পুৰুষৰ ৰাউণ্ড অব ৩২ৰ খেলখনত সতীশ কুমাৰে টাইৱানৰ ছু-লি-য়াঙৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। আনহাতে মহিলা শাখাত উন্নতি হুডাই আমেৰিকাৰ ল'ৰেন লেমৰ বিৰুদ্ধে খেলিব। একেদৰে ভাৰতৰ তাৰকাযুটি তৃষা জলী আৰু গায়ত্ৰী গোপিচান্দে মালয়েছিয়ান যুটি থীনাহ মুৰুলীথাৰন আৰু পাৰ্লি টেনৰ বিৰুদ্ধে কৰ্টত নামিব। মিক্সড ডাবলছৰ খেলত এন সিক্কী ৰেড্ডী আৰু বি সুমিত ৰেড্ডীৰ যুটিয়ে কানাডাৰ কেবিন লি আৰু এডৱাৰ্ড ঝাঙৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

উল্লেখযোগ্য যে প্ৰতিযোগিতাৰ কালি অনুষ্ঠিত হোৱা এখন খেলত ভাৰতৰ তাৰকা শ্বাটলাৰ পি ভি সিন্ধু প্ৰি-কোৱাৰ্টাৰ ফাইনেল পৰ্বলৈ উন্নীত হৈছে।

০০০০০০০

সমাপ্ত